

# ৰাজকুমাৰ হিৰাণী

## ব্যতিক্ৰমী ধাৰাৰ সফল চলচ্চিত্ৰ নিৰ্মাতা



❑ জিতুমণি পাঠক

এখন হিট ছবিৰ ফৰ্মূলা কি সেয়া নিৰূপণ কৰাটো সহজ কথা নহয়। কেতিয়াবা যদি ষ্টাৰডমে কোনো এখন ছবিক ছুপাৰহিট কৰিছে কেতিয়াবা আকৌ সেই ষ্টাৰডমেই পৰিচালক-প্ৰযোজকক ফুটপাথলৈও লৈ আহিছে। ভাল ছবি এখনৰ কাৰণে এটি নিটোল কাহিনী, সুমধুৰ সংগীত, সুন্দৰ দৃশ্যায়ন আদিক এক অপৰিহাৰ্য কাৰক হিচাপে গণ্য কৰা হয়। কিন্তু আটাইবোৰ কাৰক থকাৰ পাছতো বহু সময়ত বহু ছবিয়ে বক্স অফিচত বৰ বেয়াকৈ মুখথেকেচা খোৱা দেখা যায়। তেনে এক প্ৰেক্ষাপটত বহু নামী-দামী পৰিচালকে ঘোষণা কৰিবলৈ বাধ্য হৈছে যে হিট ছবি নিৰ্মাণৰ আচলতে কোনো এক ফৰ্মূলা নাই। কিন্তু ৰাজকুমাৰ হিৰাণীৰ ছবিৰ প্ৰসংগ যেতিয়া আলোচিত হয় তেতিয়া ভাব হয় সেয়া যেন শুদ্ধ নহয়। হিট ছবি নিৰ্মাণৰো যেন কোনো এক নিৰ্দিষ্ট সূত্ৰ আছে আৰু সেই অভেদ্য ৰহস্য ভেদ কৰিব পাৰিছে ৰাজকুমাৰ হিৰাণীয়ে। সেয়ে য'তেই তেওঁৰ হাতৰ স্পৰ্শ পৰিছে সেয়াই জিলিকি উঠি সফলতাৰ শিখৰ চুইছেগৈ। সেয়া লাগে মুন্নাভাইৰ চিকুৱেলেই হওক বা থ্ৰি ইডিয়ট নতুবা পিকে-ই হওক। সফলতাৰ এই তালিকাত শেহতীয়াকৈ নাম অন্তৰ্ভুক্ত হ'বলৈ গৈ আছে বহু প্ৰত্যাশিত 'সঞ্জু'।

ৰাজকুমাৰ হিৰাণীৰ এই সফলতাত ঈৰ্ষান্বিত সকলো। অথচ সফলতাৰ এই অদৃশ্য যাদুৰ কাঠী হস্তগত কৰিবলৈ সক্ষম হোৱা হিৰাণীৰ নাছিল কোনো ফিল্মী বেকগ্ৰাউণ্ড। এক মধ্যবিত্ত পৰিয়ালৰ সন্তান ৰাজকুমাৰ হিৰাণীৰ দূৰ দূৰলৈ নাছিল কোনো ছবিৰ সৈতে জড়িত কাৰো সৈতে সংযোগ। কিন্তু মনত সংগোপনে প্ৰোথিত হৈছিল এক স্বপ্নৰ নিজকে এক ছবি নিৰ্মাতা হিচাপে গঢ় দিয়াৰ। হিৰাণীৰ সেই স্বপ্ন আজি কেৱল পূৰ হোৱাই নহয়, আজি অনেকৰ বাবে আদৰ্শ হৈ পৰিছে ৰাজকুমাৰ হিৰাণী আৰু তেওঁৰ যাদুকৰী হাতৰ স্পৰ্শত বাঙ্ময় হৈ উঠা ছবিসমূহ।

হিৰাণীৰ চলচ্চিত্ৰ পৰিক্ৰমাক



যদি উভতি চোৱা যায় দেখা যায় যে এই সফল পৰিচালকগৰাকীৰ প্ৰথম স্বপ্ন আছিল এগৰাকী অভিনেতা হোৱাৰহে। নিজৰ অভিনয় প্ৰতিভাক পৰীক্ষা কৰিবলৈ মুম্বাইলৈ ঢাপলিও মেলিছিল। কিন্তু মাত্ৰ তিনি দিনতে অন্ত পৰিছিল অভিনেতা হোৱাৰ স্বপ্ন। উভতি আহিছিল গৃহ চহৰ নাগপুৰলৈ। এইবাৰ টাইপিং ইনষ্টিটিউট এটা চলাই পৰিয়ালটোক পোহপাল দি থকা দেউতাকে উপদেশ দিলে পুনে ফিল্ম এণ্ড টেলিভিছন ইনষ্টিটিউটলৈ গৈ পৰিচালকৰ শিক্ষাগ্ৰহণ কৰিবলৈ। কিন্তু হিৰাণী তাত গৈ উপস্থিত হোৱালৈ নাম ভৰ্তিৰ সময় পাৰ হৈ যোৱাত পৰিচালক হোৱাৰ সপোন একাষৰীয়াকৈ থৈ ফিল্ম এডিটিঙৰ পাঠ্যক্ৰমত নামভৰ্তি কৰে। আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰি পুনৰ মুম্বাইলৈ ঢাপলি মেলে যদিও তাত খোপনি পুতিবলৈ আৰম্ভ কৰিবলগীয়া হয় এক সংগ্ৰামী জীৱনৰ। ২০০০ চনত পৰিচালক, প্ৰযোজক বিধু বিনোদ চোপ্ৰাৰ টীমৰ সংস্পৰ্শলৈ অহাটোৱেই ৰাজকুমাৰ হিৰাণীৰ বাবে এক টাৰ্নিং পইণ্ট হিচাপে গণ্য কৰিব পাৰি।

এই সময়ছোৱাত ৰাজকুমাৰ হিৰাণীয়ে বিধু বিনোদ চোপ্ৰাৰ ছবি 'কৰীব', '১৯৪২- এক লাভ ষ্ট'ৰী' আদি ছবিৰ প্ৰমো এডিটিং কৰাৰ সুযোগ লাভ কৰে। লগে লগে চলি থাকে টেলিভিছনৰ সৰু সৰু জনপ্ৰিয় বিজ্ঞাপন নিৰ্মাণৰ কামো। হিৰাণীৰ কামৰ উৎকৃষ্টতাই তেওঁলৈ কঢ়িয়াই আনে 'মিছন কাশ্মীৰ' ছবিখন এককভাৱে সম্পাদনা কৰাৰ সুযোগ।

তথাপি যেন হিৰাণী সুখী নহয়। তেতিয়ালৈ যেন চুই চাব পৰা নাছিল নিজৰ সেই কাংক্ষিত স্বপ্নক। বিধু বিনোদ চোপ্ৰাৰ সৈতে কাম কৰি থকাৰ সময়ছোৱাতে লিখি উলিয়ালে নিজৰ জীৱনৰ প্ৰথমখন চিত্ৰনাট্য 'মুন্নাভাই এম বি বি এছ'ৰ। অসাধাৰণ কাহিনী আৰু তাৰ ট্ৰিটমেণ্ট। এজন গেংষ্টাৰৰ জীৱন পৰিক্ৰমা। কিন্তু এই আমাৰ সচৰাচৰ বলিউডী চিনেমাবোৰত দেখি থকা গেংষ্টাৰতকৈ সম্পূৰ্ণ পৃথক। হাতত পিষ্টল, মুখত মুম্বাইৰ অন্ধকাৰ জগতৰ পৰিচিত ভাষা; কিন্তু তাৰ পাছতো সোণালী হৃদয়ৰ গৰাকী এই গেংষ্টাৰ। এক অসামান্য চৰিত্ৰ চিত্ৰণ। 'মুন্নাভাই এম বি বি এছ' মুক্তি পোৱাৰ লগে লগে ভাৰতীয় দৰ্শকে অতি আগ্ৰহেৰে আদৰি ল'লে এই ব্যতিক্ৰমী ধাৰাৰ ছবিখনক।



মুন্নাভাইৰ 'যাদু কি জাপ্পি' সকলোৰে মুখৰ ভাষা হৈ পৰিল। আৰু লগে লগে ৰাজকুমাৰ হিৰাণী নামৰ পৰিচালকগৰাকীৰ আগমন মুম্বাইৰ ছবিজগতত সজোৰে ঘোষিত হ'ল।

'মুন্নাভাই এম বি বি এছ'-ৰ পাছতে হিৰাণীয়ে নিৰ্মাণত হাত দিলে ইয়াৰ ছিকুৱেল 'লাগে ৰহো মুন্নাভাই'ৰ। এখন ছুপাৰহিট ছবিৰ ছিকুৱেল মানেই সকলোৰে আশাৰ পৰিমাণো বৃদ্ধি পায় অনেক গুণ। নিজৰ প্ৰথমখন ছবিৰেই স্বকীয় শৈলীৰ পৰিচয় দিলেও সেই ধাৰা অক্ষুণ্ণ ৰাখিব পাৰিবনে তাক লৈ অনেকৰ মনত এক সংশয়ৰো সৃষ্টি হৈছিল। আশাহত কৰা নাছিল হিৰাণীয়ে। বৰং 'মুন্নাভাই এম বি বি এছ'তকৈ 'লাগে ৰহো মুন্নাভাই'-য়ে আৰু অধিক উৎকৃষ্টতাহে প্ৰদৰ্শন কৰিলে। তাৰ পাছত ভাৰতীয় ছবিৰ দৰ্শকৰ বাবে হিৰাণীৰ ছবি মানে বিশ্বাসযোগ্যতাৰ এক ব্ৰেণ্ড নেইম হৈ পৰিল। ইয়াৰ পাছত আন দুখন হিৰাণীৰ ছবি 'থ্ৰী ইডিয়টছ' বা 'পি কে'-ই সফলতাৰ যি সীমাৰেখা টানিলে সেয়া চুব পৰাটোও বহু প্ৰতিষ্ঠিত পৰিচালকৰ বাবে আজিও এক স্বপ্নসদৃশ।

ৰাজকুমাৰ হিৰাণীৰ ছবিসমূহৰ চালিকাশক্তি কি বুলিলে তাৎক্ষণিকভাৱে মনলৈ আহে নিটোল হাস্যৰসৰ কথা। কিন্তু সেই হাস্যৰস বলিউডৰ তথাকথিত কমেডী ছবিসমূহৰ দৰে লঘু হাস্যৰস নহয়। প্ৰতিখন ছবিতে হাস্যৰসৰ মাজেৰে দৰ্শকক অনুভূত কৰাইছে এক ছিৰিয়াছ সামাজিক সমস্যাক। হিৰাণীৰ ছবিসমূহে দৰ্শকক মনত পেলাই দিয়ে সত্তৰ-আশীৰ দশকত বাসু চেটাৰ্জী বা হৃষীকেশ মুখাৰ্জীয়ে নিৰ্মাণ কৰা ছবিসমূহৰ কথা। এওঁলোকৰ ছবি চায়েই চিনেমাৰ প্ৰেমত পৰা হিৰাণীৰ ছবিসমূহতো চাগে সেয়েহে শুনা যায় তেওঁলোকৰ কথকতাৰ অনুৰণন।

*ফোন ঃ ৯৮৫৪০-১৮১১৭।*

